# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-09-2026
**Time :** 2125 PM

# *Assamese Night Bulletin*
**-------------------**

ooooo

গুৱাহাটী মহানগৰৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজি অৰুণোদয় সাৰথি কৰ্মশালা তথা প্ৰশিক্ষণৰ বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই কৰ্মশালাৰ অৰুণোদয় সাৰথিসকলৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াবৰ্গৰ সৈতে মত বিনিময় কৰে। অৰুণোদয় আঁচনি অসমৰ তৃণমূল পৰ্যায়ত মহিলাসবলীকৰণৰ এক শক্তিশালী মাধ্যম বুলি বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

***বাইট ঃ জয়ন্ত মল্লবৰুৱা***

দিছ্‌পুৰৰ জনতা ভৱনত আজি বিয়লি বিত্তমন্ত্ৰীগৰাকীয়ে অৰুণোদয় আঁচনি সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। এই সভাত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিত্ত বিভাগৰ জ্যেষ্ঠ বিষয়াৰ লগতে জিলাসমূহৰ আয়ুক্তসকলে অংশগ্ৰহণ কৰে।

ooooo

তামুলপুৰ জিলাৰ জলসিঞ্চন ব্যৱস্থাসমূহৰ বুজ লোৱাৰ লগতে অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ মাজত উচ্চ মানসম্পন্ন বাণিজ্যিক কৃষিত জড়িত হ'বলৈ উৎসাহিত কৰাৰ লক্ষ্যৰে দিনজোৰা কাৰ্যসূচীৰে কৃষি আৰু জলসিঞ্চন আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা জিলাখনত উপস্থিত হয়। তামুলপুৰৰ বিধায়ক তথা দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ সৈতে মন্ত্ৰী হাজৰিকাই ভাৰত-ভূটান সীমান্তৰ সুৱনখাটাৰ মানস চৌকী পৰিদৰ্শন কৰে। ভূটানৰ পাহাৰৰ পৰা বৈ অহা পাগলাদিয়া নৈত নিৰ্মাণ কৰিবলগীয়া জলসিঞ্চন প্ৰকল্পৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা বৈঠকত অংশ লয়। ৭০ কোটি টকা ব্যয়সাপেক্ষ এটা নতুন প্ৰকল্পৰ কথা ঘোষণা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰকল্পই এহেজাৰ ৮০০ হেক্টৰ কৃষিভূমি সামৰি ল'ব। অঞ্চলটোৰ সকলো প্ৰস্তাৱিত আঁচনি ফলপ্ৰসূ হ'লে মুঠ জলসিঞ্চনপ্ৰাপ্ত কৃষিভূমিৰ পৰিমাণ ৮ হাজাৰলৈ বৃদ্ধি হ'ব। ইয়াৰ ফলস্বৰূপে স্থানীয় কৃষকসকলে এটা বছৰত তিনিবাৰকৈ শস্য উৎপাদন কৰিব পাৰিব বুলি শ্ৰীহাজৰিকাই উল্লেখ কৰে। তেওঁ লগতে দৰংগা নদীৰ হাতীডুবাৰ জলসিঞ্চন প্ৰকল্পৰো বুজ লয়। কালা নদী জলসিঞ্চন প্ৰকল্প পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে ইয়াক অধিক সম্প্ৰসাৰণ কৰাৰ আশ্বাস দিয়ে। তেওঁ লগতে বগামাটিৰ বৰনদী আঁচনিও পৰ্যবেক্ষণ কৰে। মন্ত্ৰী শ্ৰীহাজৰিকাই জিলাখনৰ চেঁচাপানীত দৈমালু বসুমতাৰী নামৰ এগৰাকী উদ্যমী কৃষকৰ ড্ৰেগন ফলৰ খেতি পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে ৫ বিঘা ভূমিত ড্ৰেগন ফলৰ খেতিৰে বছৰি প্ৰায় ৬ লাখ টকা উপাৰ্জন কৰাৰ সমান্তৰালকৈ ৬ বিঘা মাটিত তামোলৰ বাগান আৰু তিল খেতিৰে স্বাৱলম্বী হৈ উঠা দৈমালু বসুমতাৰীৰ প্ৰয়াসৰ প্ৰশংসা কৰে।

মন্ত্ৰী শ্ৰীহাজৰিকাই এই ভ্ৰমণৰ সময়তে বি টি চিৰ সদ্যপ্ৰয়াত উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীৰ বাসগৃহত উপস্থিত হৈ নেতাগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। তেওঁ লগতে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। বিয়লিৰ ভাগত শ্ৰীহাজৰিকাই তামুলপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

oooooo

কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগ, নতুন দিল্লীৰ সদস্য ড০ পাৰ্থ বিশ্বাসে আজি যোৰহাট জিলাৰ বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি বান ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত সামগ্ৰী বিতৰণ কৰে। তেওঁ বান পৰিস্থিতিৰ লগতে সাহায্য-পুনৰ সংস্থাপন কাৰ্যসূচী সন্দৰ্ভত জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকতো মিলিত হয়। ড০ বিশ্বাসে টীয়কৰ ঔগুৰি অঞ্চলৰ বানপীড়িত লোকসকলৰ মাজতো সামগ্ৰী বিতৰণ কৰে।

০০০০০

সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে অহা ৮ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া বিভিন্ন কাৰ্যসূচীৰ বিষয়ে বুজ লোৱাৰ উদ্দেশ্যে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা আজি জালুকবাৰীৰ ড০ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত উপস্থিত হয়। এই উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড০ বি কল্যাণ চক্ৰৱৰ্তী, যুটীয়া সচিব প্ৰশান্ত বৰুৱা, সঞ্চালক ৰাহুল চন্দ্ৰ দাস, লোক নিৰ্মাণ বিভাগ মুখ্য অভিযন্তা মহেন্দ্ৰ দাস আদিৰ লগতে ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ বিষয়ববীয়াসকলৰ সৈতে অনুষ্ঠানসমূহ সন্দৰ্ভত মন্ত্ৰী শ্ৰীবৰা বৈঠকত মিলিত হয়। ড০ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত জন্মদিনৰ কাৰ্যসূচীত ১০০ গৰাকী শিল্পীয়ে বিস্তীৰ্ণ পাৰৰে শীৰ্ষক গীতটি পৰিবেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ জীৱন পৰিক্ৰমা বিষয়ক এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত নিৰ্মাণ কৰিবলগীয়া ড০ ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলাও এই অনুষ্ঠানৰ পৰাই স্থাপন কৰিব। একে দিনাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে ১০০খন পতাকা উত্তোলন কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। এই দিনটোতে ৰাজ্যৰ বিদ্যালয়সমূহত সুধাকণ্ঠৰ গীত পৰিবেশন কৰা হ'ব বুলি সাংস্কৃতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড০ বি কল্যাণ চক্ৰৱৰ্তীয়ে প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত